NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। লোকসভাত কালি বিত্ত বিধেয়ক ২০২৪ সংশোধন সহ গৃহীত হয়।

২। ৰাজ্যসভাত বিনিয়োজন বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে। বিত্ত মন্ত্ৰী আজি আলোচনাৰ উত্তৰ দিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষাক সামাজিক পৰিৱৰ্তন আৰু ৰাষ্ট্ৰ গঠনৰ মাধ্যম বুলি অভিহিত কৰিছে।

৪। বাংলাদশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰখনে আজি নিশা শপত গ্ৰহণ কৰিব। ***আৰু***

৫। যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব।

ooo

লোকসভাত কালি বিত্ত বিধেয়ক ২০২৪ সংশোধন সহ গৃহীত হয়। বিধেয়কখন গৃহীত হোৱাৰ লগে লগে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় প্ৰস্তাৱ কাৰ্যকৰী হৈ পৰিল আৰু বাজেট প্ৰক্ৰিয়াও সম্পূৰ্ণ হ'ল। বিধেয়কখন সন্দৰ্ভত লোকসভাত হোৱা আলোচনাৰ উত্তৰ দি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে, কৰ আৰোপৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ মূল উদ্দেশ্য হৈছে কৰ আইন তথা প্ৰক্ৰিয়াৰ সৰলীকৰণ আৰু দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ লগতে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰা। তেওঁ কয় যে, চৰকাৰে বিগত দশকত কৰ প্ৰশাসনত আমূল পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। চৰকাৰে কৰ বহু বেছি বৃদ্ধি নকৰাকৈ অধিক স্বচ্ছতাৰ লগতে নিয়ম পালন প্ৰক্ৰিয়াৰ সৰলীকৰণৰ সৈতে সহজ কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰিছে। শ্ৰীমতী সীতাৰমনে ভূমি সা-সম্পত্তি খণ্ডৰ নতুন মূলধনী লাভালাভ কৰৰ ক্ষেত্ৰত সকাহ প্ৰদানৰ উদ্দেশ্যে দীৰ্ঘকালীন মূলধনী লাভালাভ সন্দৰ্ভত এটা সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। ইয়াৰ অধীনত কৰদাতাসকলক কম হাৰৰ নতুন কৰ ব্যৱস্থা অথবা উচ্চ হাৰৰ কৰৰ পুৰণি ব্যৱস্থা বাচি লোৱাৰ বিকল্প প্ৰদান কৰা হৈছে।

চিকিৎসা আৰু জীৱন বীমাৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ প্ৰত্যাহাৰৰ বাবে বিৰোধী পক্ষই জনোৱা দাবী সন্দৰ্ভত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে চিকিৎসা বীমাৰ ওপৰত আৰোপিত ১৮ শতাংশ সামগ্ৰী আৰু সেৱা কৰ বাতিলৰ বিষয়টো সন্দৰ্ভত সামগ্ৰী আৰু সেৱা কৰ পৰিষদত সিদ্ধান্ত ল'ব পৰা যাব। তেওঁ কয় যে এই ক্ষেত্ৰত সংসদত সংশোধনী প্ৰস্তাৱ উত্থাপন কৰাৰ পূৰ্বে সামগ্ৰী আৰু সেৱা কৰ পৰিষদত এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ দুই-তৃতীয়াংশ প্ৰতিনিধি ৰাজ্যৰ আৰু এক-তৃতীয়াংশ কেন্দ্ৰৰ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিৰোধী দলসমূহে সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ বিবেচনাৰ উদ্দেশ্যে বিষয়টো অনাৰ বাবে তেওঁলোকৰ ৰাজ্যিক বিত্তমন্ত্ৰী সকলৰ ওচৰ চপা উচিত। সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ পূৰ্বেও চিকিৎসা বীমাৰ ওপৰত কৰ আৰোপ কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

মধ্যবিত্ত শ্ৰেণীৰ ওপৰত কৰৰ বোজা বৃদ্ধি পোৱা বুলি কৰা দাবী খণ্ডন কৰি শ্ৰীমতী সীতাৰমনে কয় যে ২০২৩ চনত ব্যক্তিগত আয়কৰৰ স্তৰ যথেষ্ট উদাৰ কৰা হৈছে। তেওঁ কয় যে, সকলো কৰদাতাৰ কৰৰ ডেনা পাওনা ৩৭ হাজাৰ ৫০০ টকা হ্ৰাস পাইছে আৰু ইয়াৰ পৰা মধ্যবিত্ত শ্ৰেণী উপকৃত হৈছে।

বিত্তমন্ত্রীগৰাকীয়ে কয় যে, এইবাৰৰ বাজেটত বেতনভোগী কৰ্মচাৰীৰ বাবে ষ্টেণ্ডাৰ্ড ডিডাকচন ৫০ হাজাৰৰ পৰা ৭৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত বেতনভোগী কৰ্মচাৰীসকলে ১৭ হাজাৰ ৫শ টকা পৰ্যন্ত সকাহ লাভ কৰিব। তেওঁ কয় যে, নতুন পেঞ্চন ব্যৱস্থা বাচি লব খোজা ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডৰ বেংক কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিয়োগকৰ্তাৰ যোগদান ১০ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰা হৈছে। বিগত দুবছৰত মধ্যবিত্ত শ্ৰেণীক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে বুলি শ্ৰীমতী সীতাৰমনে দাবী কৰে। তেওঁ কয় যে, কোৰিড মহামাৰীৰ সন্মুখীন হোৱাৰ বাবদ হোৱা ব্যয়ৰ জোৰা মৰাৰ বাবে কোনো ধৰণৰ কৰ আৰোপ কৰা নাছিল। ২০২৪ বৰ্ষৰ অন্তৰ্বৰ্তী বাজেটত ৯০ লাখ কৰদাতাৰ  সত্যাসত্য পৰীক্ষা নকৰাকৈ ক্ষুদ্ৰ আৰু পূৰণি কৰ দাবী অভিলেখৰ পৰা আঁতৰ কৰা হৈছিল। এঞ্জেল টেক্সৰ বিলুপ্তি সাধনৰ পৰা ষ্টাৰ্ট আপসমূহে সকাহ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

পৰোক্ষ কৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় সুবিধাজনক কৰি তোলাৰ বাবে সীমা শুল্কৰ প্ৰক্ৰিয়া সৰল কৰি তোলাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লোৱা হৈছে। ইয়াৰ ফলত ঘৰুৱা উৎপাদন আৰু ৰপ্তানিৰ প্ৰতিযোগিতা বৃদ্ধি পাব। তেওঁ কয় যে, কেচা সামগ্ৰীৰ মূল্য আৰু ঘৰুৱা উৎপাদন ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে বাজেটত তালিকাভূক্ত ভালেমান সামগ্ৰীৰ সীমা শুল্ক কম কৰা হৈছে।

বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে ২০২৪-২৫ বৰ্ষৰ বাবে ৩১ জুলাই পৰ্যন্ত অভিলেখ সংখ্যক ৭ কোটি ২৮ লাখ আয়কৰ ৰিটাৰ্ণ দাখিল কৰা হৈছে। আয়কৰ ৰিটাৰ্ণ দাখিলৰ এই সংখ্যা যোৱা বছৰৰ তুলনাত ৭ দশমিক ৫ শতাংশ অধিক।

ইয়াৰ পূৰ্বে আলোচনাত ভাগ লৈ বিজেপিৰ জগদম্বিকা পালে কয় বিত্ত বিধেয়কখনে এইবাৰৰ বাজেটত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ধাৰ্য কৰা লক্ষ্য পূৰণত সহায় কৰিব। বাজেটখনে দেশৰ কৰ আৰোপ ব্যৱস্থা সৰল কৰি তুলিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়  যে চৰকাৰে ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। কংগ্ৰেছৰ মহম্মদ হমদুল্লাই আলোচনাত ভাগ লৈ চৰকাৰে কৰ্পোৰেট গোষ্ঠীক অধিক সকাহ প্ৰদান কৰিছে আৰু তেওঁলোকৰ কৰৰ দেনা-পাওনা জনসাধাৰণৰ তুলনাত কম হৈছে বুলি অভিযোগ তোলে।

বিত্ত বিধেয়ক গৃহীত হোৱাৰ পাছত লোকসভাৰ অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখে।

০০০

ৰাজ্যসভাত কালি বিনিয়োজন বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা হয়। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ দিগ্বিজয় সিঙে কয় যে ধনী আৰু দুখীয়াৰ মাজত ব্যৱধান হ্ৰাস কৰা, মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰা আৰু কৰ্মসংস্থাপনহীনতাৰ সমস্যা দূৰ কৰাটো চৰকাৰৰ আগ্ৰাধিকাৰ হোৱা উচিত। তেওঁ কয় যে এইবাৰৰ বাজেটখন মোদী চৰকাৰৰ একাদশ বাজেট আৰু এইবাৰৰ বাজেটখনতো এনে ধৰণৰ অগ্ৰাধিকাৰ প্ৰতিফলিত হোৱা নাই। তেওঁ কয় যে চৰকাৰে বাজেটত কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত তিনিবিধ ঔষধৰ ওপৰত আৰোপিত সীমা শুল্ক প্ৰত্যাহাৰ কৰিছে যদিও কৰ্কট ৰোগৰ সকলো ঔষধৰ ক্ষেত্ৰত এই কৰ প্ৰত্যাহাৰ কৰা উচিত। তেওঁ লগতে স্বাস্থ্য বীমাৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

একেদৰে তৃণমূল কংগ্ৰেছৰ ডেৰেক অ'ব্ৰায়ানেও স্বাস্থ্য আৰু জীৱন বীমাৰ ওপৰত আৰোপিত ১৮ শতাংশ জি এছ টি উঠাই ল'বলৈ আহ্বান জনায়।

আলোচনাত ভাগ লৈ ৰাই এছ আৰ চি পিৰ ভি বিজয়ছাই ৰেড্ডীয়ে ১ লাখ টকা পৰ্যন্ত পেন্সনক ৰেহাইৰ আওতালৈ আনিবলৈ বিত্তমন্ত্ৰীক অনুৰোধ জনায়। বিজেপিৰ ভূৱনেশ্বৰ কলিতাই কয় যে চৰকাৰে ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত সমাজতৰ দুখীয়া শ্ৰেণী, যুৱ প্ৰজন্ম, খেতিয়ক আৰু মহিলাসকলৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে চৰকাৰে সদায় মানৱ সম্পদৰ সৰ্বাত্মক উন্নয়ন আৰু সামাজিক ন্যায়ত অগ্ৰাধিকাৰ প্ৰদান কৰি

আহিছে। তেওঁ কয় যে নির্মাণৰ ক্ষেত্রত দেশ সমৃদ্ধ হোৱাই নহয়, বৰং কেতবোৰ সামগ্রী নির্মাণৰ ক্ষেত্রত প্রথম স্থান লাভ কৰিবলৈ সমর্থ হৈছে। দেশ মোবাইল ফোনৰ অন্যতম সর্ববৃহৎ ৰপ্তানিকাৰী  হোৱা বুলিও সাংসদগৰাকীয়ে উল্লেখ কৰে। অন্য ৰাজনৈতিক দলৰ সদস্যসকলেও আলোচনাত ভাগ লয়। বিত্তমন্ত্রী নির্মলা সীতাৰমনে আজি এই আলোচনাৰ উত্তৰ দিব।

০০০০

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৱে শিক্ষাক সামাজিক পৰিৱর্তন আৰু ৰাষ্ট্র গঠনৰ মাধ্যম বুলি অভিহিত কৰিছে। নিউজিলেণ্ডৰ ৱেলিংটনৰ টাকিনা ৱেলিংটন অভিৱর্তন কেন্দ্রত আয়োজিত নিউজিলেণ্ড আন্তঃৰাষ্ট্রীয় শিক্ষা সন্মিলনত ভাষণ দি ৰাষ্ট্রপতিয়ে আজি এইদৰে প্রকাশ কৰে। তেওঁ কয় যে ভাৰত চৰকাৰে দেশত শিক্ষাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লৈছে। ৰাষ্ট্রপতিগৰাকীয়ে আজি পুৱা দুদিনীয়া নিউজিলেণ্ড ভ্রমণসূচীৰে দেশখনৰ ৰাজধানী ৱেলিংটনত উপস্থিত হয়। তাত তেওঁ দেশখনৰ গৰ্ণৰ জেনেৰেল ডেম চিন্দি কিৰোৰ উপস্থিতিত ৰয়েল গার্ড অব অনাৰেৰে অভ্যর্থনা জনোৱা হয়।

০০০

বাংলাদশত নবেল বঁটা প্রাপক প্রফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰর্তীকালীন চৰকাৰখনে আজি নিশা শপত গ্রহণ কৰিব। কালি এখন সংবাদ মেলত দেশখনৰ সেনাপ্রধান ৱাকাৰ-উজ-জামানে এই কথা সদৰি কৰে। তেওঁ দেশখনৰ পৰিস্থিতি অহা তিনি-চাৰি দিনৰ ভিতৰত স্বাভাৱিক হ'ব বুলি আশা প্রকাশ কৰিছে। তেওঁ কয় যে বিগত কিছুদিনত সংঘটিত অপৰাধমূলক ঘটনাসমূহৰ সৈতে জড়িত থকা লোকসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু সেইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্রহণ কৰা হ'ব।

০০০

যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্রাই আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীর্ণ হ'ব। একেদৰে ভাৰতীয় পুৰুষ হকী দল আজি বিয়লি ব্রঞ্জৰ পদকৰ যুঁজত স্পেইনৰ সন্মুখীন হ'ব। মল্লযুদ্ধত বর্তি থকা একমাত্র পুৰুষ মল্লযোদ্ধা অমন শ্বেহৰাৱাটৰ ওপৰতো ভাৰতীয় খেলপ্রেমীসকলৰ দৃষ্টি নিৱদ্ধ হৈ থাকিব। খেলুৱৈগৰাকী আজি বিয়লি পুৰুষৰ ৫৭ কিলোগ্রাম ওজন শাখাৰ ফ্রী ষ্টাইল শিতানত অৱতীর্ণ হ'ব। আনহাতে মহিলা মল্লযোদ্ধা অঞ্চুই ৫৭ কিলোগ্রাম ওজন শাখাৰ ফ্রী ষ্টাইল শিতানত দেশক প্রতিনিধিত্ব কৰিব। ভাৰতৰ বাবে দুর্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাক্রমত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগটক কালি সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্রেক্ষিতত  ৫০ কিলোগ্রাম ওজন শাখাৰ ফ্রী ষ্টাইল শিতানৰ ফাইনেলত প্রৱেশ কৰাৰ পাছত অযোগ্য ঘোষণা কৰা হয়। ফোগটে এই সিদ্ধান্তৰ বিৰুদ্ধে ক্রীড়া চালিছী আদালতত আবেদন দাখিল কৰিছে। খেলুৱৈগৰাকীয়ে তেওঁক যুটীয়াভাৱে ৰূপৰ পদক প্রদান কৰিবলৈ দাবী জনাইছে।

ইপিনে, ৱিনেছ ফোগটে সামাজিক মাধ্যমযোগে অৱসৰৰ কথা ঘোষণা কৰিছে। আনহাতে টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজেতা এছ মীৰাবাঈ চানুৱে কালি মহিলাৰ ৪৯ কিলোগ্রাম ওজন শাখাৰ ফাইনেলত চতুর্থ স্থান লাভ কৰে। আনহাতে, অবিনাশ চাৱলেইপুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপ্‌লচেজত একাদশ স্থানত থাকে।

০০০

সমাপ্ত